জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৭০/২০২২**

# অসম চৰকাৰৰ শিক্ষা বিভাগৰ সৌজন্যত আয়োজিত শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

## শিক্ষকসকলে বিদ্যাৰ্থীসকলৰ জৰিয়তে সমাজত জ্ঞানৰ পোহৰ বিয়পায় ঃ মুখ্যমন্ত্ৰী

## মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিলে ২০২২ বৰ্ষৰ গুণোৎসৱৰ ফলাফল, ৪৮২৬ খন বিদ্যালৈ 'এ প্লাছ' গ্ৰেড

## ২২ গৰাকী কৃতী শিক্ষাগুৰুক ৰাজ্যিক বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৫ ছেপ্তেম্বৰ ঃ** মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ প্ৰেক্ষাগৃহত ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত শিক্ষক দিৱসত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

৬১ সংখ্যক এই শিক্ষক দিৱসত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীসকলৰ জৰিয়তে সমাজত জ্ঞানৰ পোহৰ বিলোৱাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে সময়-কাল নিৰ্বিশেষে শিক্ষা আৰু শিক্ষাৰ প্ৰগাঢ়তা শিক্ষাগুৰুৰ তত্বাৱধান অবিহনে সম্পূৰ্ণ নহয়। শিক্ষকসকলক সমাজৰ পথ প্ৰদৰ্শক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মানৱ সম্পদ গঢ়াৰ দিশত শিক্ষকসকলে সদায়ে অহোপুৰুষাৰ্থ কৰি আহিছে। শাস্ত্ৰ সাহিত্যৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নৈতিকতা, আধ্যাত্মিক মাৰ্গ দৰ্শক হিচাপে শিক্ষকসকলে নিজকে নিয়োজিত কৰি অহা বাবে বিদ্যাৰ্থীয়ে জ্ঞানৰ মহাসাগৰত নিজকে উদ্ভাষিত কৰিবলৈ সমৰ্থ হৈছে।

সনাতন সভ্যতাত গুৰু এক অবিচ্ছেদ্য অংগ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জ্ঞানৰ অন্তহীন সাধনাই প্ৰাচীন ভাৰতক বিশ্বৰ সমসাময়িক কালৰ অন্যান্য ক্ষেত্ৰৰ পৰা বহু পৃথক কৰি তুলিছে। শিক্ষা আৰু জ্ঞানৰ মাজত থকা পাৰ্থক্যৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুয়োটায়েই ইটো-সিটোৰ পৰিপূৰক আৰু দুয়োটাৰে ওপৰত যথেষ্ট দখল অবিহনে শিক্ষণ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'ব নোৱাৰে।

শিক্ষা এক নিৰন্ধ প্ৰক্ৰিয়া নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কেৱল জ্ঞানতে সীমাবদ্ধ নাথাকি প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ইয়াৰ জৰিয়তেহে শিক্ষাক সৰ্বোচ্চ পৰ্যায়লৈ

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

লৈ যাব পৰা যায়। এই ক্ষেত্ৰত শিক্ষাগুৰুসকলৰ এক অপৰিহাৰ্য দায়িত্ব আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা আটাইতকৈ মূল্যৱান সম্পদ। শিক্ষাৰ জৰিয়তেহে এজন ব্যক্তিক প্ৰকৃতাৰ্থত মানৱ সম্পদ হিচাপে গঢ়ি তুলিব পৰা যায়। অৰ্থবহ জীৱন-যাপনৰ বাবে শিক্ষাৰ জৰিয়তে কিদৰে জ্ঞান আহৰণ কৰিব পাৰি সেই দিশতো মাৰ্গ দৰ্শন  কৰিবলৈ তেওঁ শিক্ষাগুৰুসকলক আহ্বান জনায়।

২০২০ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ সম্পৰ্কত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে আত্মবিশ্বাস প্ৰকাশ কৰি কয় যে ইয়ে আগন্তুক দিনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি দৃষ্টিভংগীৰে দেশ নিৰ্মাণ কৰিব বিচাৰিছে তাক নিৰ্ণায়ত্মক ভূমিকা যোগাব পাৰিব। তেওঁ লগতে কয় যে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বাস্তৱ ৰূপায়ণৰ দিশত ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে বিদ্যালয়সমূহ একত্ৰিকৰণ সিদ্ধান্ত লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰে শিক্ষাৰ দিশত লোৱা অন্যান্য সিদ্ধান্তসমূহে আগন্তুক দিনত ৰাজ্যখনক দেশৰ অন্যতম উন্নত ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত নিশ্চিত প্ৰভাৱ পেলাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

এইবাৰৰ কেন্দ্ৰীয় শিক্ষক দিৱস উদ্‌যাপনৰ এটা উল্লেখ্য বৈশিষ্ট্য হ'ল মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা গুণোৎসৱ-২০২২ ৰ ফলাফল। ফলাফল অনুসৰি গুণোৎসৱৰ সময়ত ৪৫ হাজাৰতকৈও অধিক বিদ্যালয় বাহ্যিক মূল্যায়কৰ দ্বাৰা  মূল্যাংকন কৰা হৈছিল। ইয়াৰে ৪৮২৬ খন বিদ্যালয়ে সৰ্বোচ্চ গ্ৰেড 'এ প্লাছ' আৰু ১৭ হাজাৰ ৪৫ খন বিদ্যালয়ে 'এ' গ্ৰেড লাভ কৰিছে।

মুখ্যমন্ত্ৰীয়ে ২০২২ চনৰ বাবে নিৰ্বাচিত মাধ্যমিক, উচ্চ প্ৰাথমিক আৰু নিম্ন প্ৰাথমিক পৰ্যায়ৰ ২২ গৰাকী শিক্ষকক 'ৰাজ্যিক বঁটা' প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে ৰাজ্যৰ শিক্ষা ব্যৱস্থাটো গতিশীল কৰাৰ দিশত শিক্ষক সমাজে গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াই আহিছে। ৰাজ্যৰ শিক্ষা ব্যৱস্থাটোৰ উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰাৰ দিশত আগবঢ়োৱা পৰামৰ্শ আৰু নেতৃত্বৰ বাবে তেওঁ  মুখ্যমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত পৰিবহণ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা ড°  ননী গোপাল মহন্ত, শিক্ষা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্নন, সমগ্ৰ শিক্ষা অভিযানৰ অভিযান সঞ্চালক ড° ওম প্ৰকাশ  প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**আয়ন হাজৰিকা / পুঃডেঃ**
**৫/০৯/২০২২**